জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২২২/২০২২**

## বিশিষ্ট সত্ৰীয়া, ওডিছী নৃত্য পটীয়সী তথা সংগীত-নাটক একাডেমি বঁটাপ্ৰাপক গৰিমা হাজৰিকাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৫ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট সত্ৰীয়া, ওডিছী নৃত্য পটীয়সী তথা সংগীত-নাটক একাডেমি বঁটাপ্ৰাপক গৰিমা হাজৰিকাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোক বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ লগতে ভাৰতৰ বিভিন্ন আগশাৰীৰ মহানগৰীত গৰিমা হাজৰিকাই সত্ৰীয়া আৰু ওডিছী নৃত্য পৰিৱেশনেৰে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেখেতে কেইবাখনো মননশীল নৃত্য-নাটিকা ৰচনা আৰু পৰিচালনা কৰি আমাৰ সাংস্কৃতিক জীৱনধাৰালৈ অনবদ্য বৰঙণি যোগাই যায়। অসমীয়া ছবিৰ কলা নিৰ্দেশনা তথা কৰিঅ'গ্ৰাফীৰ কাম কৰাৰ লগতে ভ্ৰাম্যমাণ থিয়েটাৰৰ নৃত্য-নাটিকা পৰিচালনা কৰি চলচ্চিত্ৰ তথা ভ্ৰাম্যমাণ নাট্য জগতলৈ যি অৰদান আগবঢ়াই গ'ল সেয়া সদায়ে স্মৰণীয় হৈ থাকিব। এইগৰাকী নৃত্য পটীয়সীয়ে সত্ৰীয়া আৰু ওডিছী নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰি আমাৰ উঠি অহা প্ৰজন্মক কলাত্মক চেতনাৰে আগুৱাই নিয়াৰ দিশতো অপৰিসীম বৰঙণি যোগাই গৈছে। এইগৰাকী নৃত্য শিল্পী তথা নৃত্য পৰিচালকৰ মৃত্যু আমাৰ সাংস্কৃতিক জগতৰ বাবে অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশিষ্ট নৃত্য পটীয়সীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

পুঃডেঃ
**৫/০৮/২০২২**